অধ্যায় ৫ ঃ লক্ষ্মীনাথ বেজবৰুৱা ঃ 'মুক্তি'

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ লক্ষ্মীনাথ বেজবৰুৱা ঃ জীৱন আৰু কৃতি
৫.৩.১ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ
৫.৪ 'মুক্তি'
৫.৪.১ গল্পটোৰ সাধাৰণ আলোচনা
৫.৪.২ গল্পটোৰ কাহিনীভাগ
৫.৪.৩ গল্পটোৰ চৰিত্ৰসমূহ
৫.৪.৪ গল্পটোৰ বিশেষত্ব
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় লাভ কৰিব
- বেজবৰুৱাৰ সাহিত্য কৃতিসমূহৰ লগত পৰিচিত হ'ব
- বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিব পাৰিব
- 'মুক্তি' গল্পটোৰ চৰিত্ৰসমূহৰ বিষয়ে বিচাৰ-বিশ্লেষণ দাঙি ধৰিব পাৰিব
- গল্পটোত বেজবৰুৱাৰ চুটিগল্পৰ বৈশিষ্ট্য কেনেদৰে প্ৰকাশ পাইছে, সেই বিষয়ে পৰ্যালোচনা কৰিব পাৰিব।

২.২ পৰিচয়

'অসমীয়া চুটিগল্প' শীৰ্ষক বুনিয়াদী পাঠ্যবিষয়ৰ এইটো পঞ্চম অধ্যায়। এই অধ্যায়টোত আপুনি লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি' গল্পটোৰ আলোচনা পঢ়িবলৈ পাব। এই আলোচনাৰ যোগেদি আপুনি গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্যসমূহৰ লগত পৰিচিত হ'ব পাৰিব। লেখকে 'মুক্তি' গল্পত চিত্ৰিত কাহিনীটোৰ মাজেদি বাস্তৱ জীৱনৰ এটা গুৰুত্বপূৰ্ণ অথচ আমি সততে আওকাণ কৰা সমস্যাক মনোগ্ৰাহী ৰূপত উপস্থাপন কৰিছে।

৫.৩ লক্ষ্মীনাথ বেজবৰুৱা ঃ জীৱন আৰু কৃতি

আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান নিঃসন্দেহে অনতিক্রম্য। 1889 চনত কলিকতা (কলকাতা)ৰ পৰা প্রকাশিত *জোনাকী* আলোচনীত আত্মপ্রকাশ কৰা এইগৰাকী সাহিত্যিকক 'সাহিত্যৰথী' আৰু 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰি কালজয়ী সন্মান প্রদান কৰা হৈছে। শিৱসাগৰৰ সুপ্রসিদ্ধ বেজবৰুৱা পৰিয়ালৰ অন্যতম সন্মানীয় ব্যক্তি দীননাথ বেজবৰুৱা তেওঁৰ পিতৃ আৰু মাতৃ থানেশ্বৰী দেৱী। দীননাথ বেজবৰুৱা আছিল আহোম স্বর্গদেউ পুৰন্দৰ সিংহৰ ৰাজবৈদ্য। পৰৱর্তী সময়ত তেওঁ ইংৰাজ চৰকাৰৰ আমোলত 'মুন্সেফ' পদত অধিষ্ঠিত হৈছিল আৰু চাকৰি সংক্রান্তত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিব লগীয়াত পৰিছিল। এনেদৰে এবাৰ তেওঁ সপৰিয়ালে নগাঁৱৰ পৰা বৰপেটালৈ নাৱেৰে যাত্রা কৰোতে অবিভক্ত নগাঁও জিলাৰ আঁহতগুৰি নামৰ ঠাইত লক্ষ্মীনাথ বেজবৰুৱা (1864)ৰ জন্ম হয়। তেওঁৰ জন্ম তিথিটো আছিল লক্ষ্মীপূর্ণিমা তিথি। সেয়েহে তেওঁৰ নাম ৰখা হৈছিল লক্ষ্মীনাথ। বেজবৰুৱাৰ নিজৰ ভাষাত তেওঁ 'ভূমিষ্ঠ নহৈ নৌকাস্থ'হে হৈছিল।

1871 চনত তেওঁ গুৱাহাটীত শিক্ষা জীৱনৰ আৰম্ভ কৰিছিল যদিও শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ পৰাহে 1986 চনত প্রৱেশিকা পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীর্ণ হয়। ইয়াৰ পিছত উচ্চ শিক্ষা লাভৰ অর্থে তেওঁ কলিকতা (কলকাতা) লৈ যায় আৰু তাৰ চি.টি. কলেজত নামভর্তি কৰে। সেইখন কলেজৰ পৰা তেওঁ এফ. এ. পৰীক্ষাত উত্তীর্ণ হৈ 'জেনে�ৰেল এছেম্বলী কলেজ'ত ভর্তি হয় আৰু তাৰ পৰাই বি.এ. ডিগ্রী লাভ কৰে। ইয়াৰ পিছত এম. এ. আৰু 'ৰিপন কলেজ'ত আইনৰ শ্রেণীত নামভর্তি কৰিছিল যদিও ডিগ্রী নোলোৱাকৈয়ে শিক্ষা জীৱন সামৰিলে।

1888 চনত উচ্চ শিক্ষা প্রেমী কলিকতীয়া প্রৱসুৱা অসমীয়া ছাত্রসকলৰ উদ্যোগত স্থাপিত হৈছিল 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (অ.ভা.উ.সা.স.)।বেজবৰুৱা সেইখন সভাৰ সৈতে গভীৰভাৱে জড়িত হৈ তাৰ উৎকর্ষ সাধনত আত্মনিয়োগ কৰিছিল। তেওঁ দুটা বছৰৰ বাবে *জোনাকী*আলোচনীৰ সম্পাদনাৰ দায়িত্ব গ্রহণ কৰাৰ উপৰি 1909 চনৰ পৰা 1929 চনলৈকে *বাঁহী* আলোচনী সম্পাদনা কৰি অসমীয়া সাহিত্যৰ বিকাশ-বিস্তৃতিত অৰিহণা যোগাইছিল।

বংগদেশৰ প্রখ্যাত ঠাকুৰ পৰিয়ালৰ হেমেন্দ্র নাথ ঠাকুৰৰ জীয়াৰী প্রজ্ঞাসুন্দৰীৰ সৈতে 1891 চনত বেজবৰুৱা বিবাহ পাশত আবদ্ধ হয়। ইয়াৰ পিছত তেওঁ অসমীয়া সদাগৰ ভোলানাথ বৰুৱাৰে সৈতে ব্যৱসায় আৰম্ভ কৰে। তেওঁ ইংৰাজ কোম্পানী এটাৰে সৈতেও কেইদিনমানৰ বাবে ব্যৱসায় কৰিছিল। শেষত তেওঁ উৰিষ্যাৰ সম্বলপুৰত কাঠৰ ব্যৱসায় কৰে। 1938 চনৰ মার্চ মাহৰ 26 তাৰিখে বেজবৰুৱাই অসমৰ ডিব্রুগড়ত শেষ নিশ্বাস ত্যাগ কৰে।

বেজবৰুৱাই 1916 আৰু 1921 চনত 'অসম ছাত্র সন্মিলনৰ' গুৱাহাটী অধিবেশনত সভাপতিত্ব কৰিছিল। তেওঁ 'অসম সাহিত্য সভা'ৰ 1924 চনত গুৱাহাটীত অনুষ্ঠিত সপ্তম অধিবেশনৰো সভাপতি আছিল।

অবিস্মৰণীয় সৃজনশীল প্রতিভা লৈ জন্ম গ্রহণ কৰা এই গৰাকী সাহিত্যিকৰ বহুমুখী অৱদানে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ সাধনত যি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল,

তাক পাহৰিব পৰা নাযায়। বেজবৰুৱা আছিল একাধাৰে কবি, নাট্যকাৰ, হাস্যৰসিক, গল্পকাৰ, ঔপন্যাসিক, প্রবন্ধকাৰ, সমালোচক আৰু জীৱনীকাৰ।

প্রথম সংখ্যা *জোনাকীত* প্রকাশিত *লিতিকাই* নামৰ প্রহসনেৰে সাহিত্যিক জীৱন আৰম্ভ কৰা বেজবৰুৱাৰ ৰচনাৰাজিক তলত উল্লেখ কৰা ধৰণে শ্রেণী বিভাজন কৰি দেখুৱাব পাৰি। যথা—

- **কবিতা ঃ** *কদম কলি, পদুম কলি*।
- **গল্প পুথি ঃ** *সুৰভি, সাধুকথাৰ কুকি, জোনবিবি* আৰু *কেঁহোকলি*।
- **নাটক ঃ** *লিতিকাই, নোমল, পাচনি, চিকৰপতি-নিকৰপতি, নাটৰ কৰণি* (পাঁচখন নাটকৰ সঙ্কলন), *চক্রধ্বজ সিংহ, জয়মতী কুঁৱৰী* আৰু *বেলিমাৰ*।
- **সাধুকথা আৰু শিশু সাহিত্য ঃ** *বুঢ়ী আইৰ সাধু, ককা দেউতা আৰু নাতি ল'ৰা, জুনুকা, বাখৰ, কামত কৃতিত্ব লভিবৰ সঙ্কেত।*
- **উপন্যাস ঃ** *পদুম কুঁৱৰী*।
- **ব্যঙ্গ আৰু হাস্যৰসাত্মক ৰচনা ঃ** *কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰুৱাৰ ওভতনি, বৰবৰুৱাৰ বুলনি, বৰবৰুৱাৰ ভাবৰ বুৰ্বুণি (প্রথম আৰু দ্বিতীয় ভাগ), বৰবৰুৱাৰ চিন্তাৰ শিলগুটি, বৰবৰুৱাৰ সাহিত্যিক ৰহস্য, কৃপাবৰ বৰুৱাৰ সামৰণি*।
- **জীৱনী আৰু তত্ত্বমূলক ৰচনা ঃ** *মোৰ জীৱন সোঁৱৰণ, ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন-চৰিত, শঙ্কৰদেৱ, মহাপুৰুষ শ্রীশঙ্কৰদেৱ* আৰু *শ্রীমাধৱদেৱ, তত্ত্বকথা, শ্রীকৃষ্ণকথা, চৈতন্যদেৱ আৰু অন্যান্য*।
- **প্রবন্ধ ৰচনা আদি ঃ** সাহিত্য প্রকাশে প্রকাশ কৰা *বেজবৰুৱাৰ-গ্রন্থাৱলী*ৰ দ্বিতীয় আৰু তৃতীয় খণ্ডত সন্নিৱিষ্ট মননশীল আৰু তত্ত্বমূলক প্রবন্ধ আৰু ৰচনাৰাজি এই শ্রেণীৰ অন্তর্ভুক্ত।
- **অনূদিত গ্রন্থ ঃ** *ভাৰতবর্ষৰ বুৰঞ্জী* (প্রথম আৰু দ্বিতীয় খণ্ড)।
- **ইংৰাজীত ৰচিত প্রবন্ধ ঃ** 'History of Vaishnavism in India', 'Rasa-lila of Sri Krishna', 'Bhakti Marga', 'The Path of Devotion and Love' and 'Important Incidents of My Calcutta Life'.



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতিৰ চমু লেখ আগবঢ়াওক। (150 টা শব্দৰ ভিতৰত)

আধুনিক অসমীয়া সাহিত্যৰ সৰহ সংখ্যক বিভাগৰেই উদ্ভৱ আৰু বিকাশত বেজবৰুৱাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰা হেতুকে একাংশ সমালোচকে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক প্রভাৱপুষ্ট 'জোনাকী যুগটোক বেজবৰুৱাৰ যুগ' বুলি অভিহিত কৰিছে।

বেজবৰুৱাৰ সাহিত্যৰাজিৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনাৰ প্ৰসঙ্গত ভাষাবিদ, সাহিত্য সমালোচক বাণীকান্ত কাকতিয়ে আগবঢ়োৱা অভিমত বিশেষভাবে উল্লেখযোগ্য— "জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব ৰচনা পদ্ধতি আৰু প্ৰকৃত হাস্যৰস এই তিনিটা উপাদান লৈ বেজবৰুৱাৰ প্ৰতিভাই আধুনিক সাহিত্যৰ সকলো বিভাগতেই বিকাশ লাভ কৰিছে।"

৫.৩.১ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ

আধুনিক সাহিত্যৰ এটি বিশিষ্ট বিভাগ হ'ল চুটিগল্প। ঊনবিংশ শতিকাৰ আৰম্ভণিতে পশ্চিমীয়া সাহিত্যত এই ঠালটোৱে বেজবৰুৱাৰ প্ৰয়াসেদি অসমীয়া সাহিত্যত জন্মলাভ কৰে। বেজবৰুৱাই *জোনাকীৰ* পৰা *বাঁহী* আলোচনীলৈকে সুদীৰ্ঘকাল চুটিগল্প ৰচনাত ব্ৰতী হৈ ইয়াক পাঠক সমাজৰ মাজত জনপ্ৰিয় কৰি তোলাত অবিস্মৰণীয়ভাৱে সাফল্য অৰ্জন কৰিছিল। তেওঁৰ প্ৰকাশিত গল্প পুথি চাৰিখন— *সুৰভি*, *সাধুকথাৰ কুকি*, *জোনবিবি* আৰু অতুল চন্দ্ৰ হাজৰিকাৰ দ্বাৰা সম্পাদিত *কেহোঁকলি*। *সুৰভি* প্ৰথমখন অসমীয়া গল্পপুথি।



জানি থোৱা ভাল

- *জোনাকীৰ চতুৰ্থ* বছৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতী' গল্পটোৱেই প্ৰথম অসমীয়া চুটিগল্প।
- বেজবৰুৱাৰ 'মুক্তি' গল্পটো তেওঁৰ জীৱনকালত প্ৰকাশিত হোৱা গল্প সঙ্কলন *সুৰভি*, *সাধু কথাৰ কুকি* আৰু *জোনবিৰিত* সন্নিৱিষ্ট নহ'ল। গল্পটো '*বাঁহী* আৰু আন ঠাইত সিঁচৰতি হৈ থকা গল্প' হিচাপে থাকিল। অতুল চন্দ্ৰ হাজৰিকাই এই গল্পবোৰক *কেহোঁকলি* নামৰ গল্পটোৰ আধাৰতে এখন নতুন কিতাপ কৰিব পাৰি বুলি সাহিত্য প্ৰকাশ প্ৰকাশে কৰা *বেজবৰুৱা গ্ৰন্থাৱলীত* মন্তব্য কৰিছে। তেওঁৰ যুক্তি— "নামকৰণ কৰা হৈছে মূল বিষয়বস্তুৰ লগত সামঞ্জস্য ৰাখি।"

বেজবৰুৱাৰ নিৰলস সাধনা পশ্চিমীয়া ভাবধাৰাৰে ভূষিত হ'লেও তেওঁ অসমীয়া সুলভ সাহিত্যিক প্ৰবণতা বিসৰ্জন দিয়া নাছিল। অসম দেশ, অসমীয়া সমাজ আৰু অসমীয়া মানুহ আছিল তেওঁৰ সাহিত্য চৰ্চাৰ প্ৰধান পটভূমি আৰু সংস্কাৰবাদী আদৰ্শ আছিল তেওঁৰ মজ্জাগত। তেওঁৰ গল্পত ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা বিংশ শতিকাৰ আদি ভাগলৈকে এই বিস্তৃত কালছোৱাৰ আচাৰ-ব্যৱহাৰ, দোষ-ত্ৰুটি আদিৰ লগতে অসমৰ গাঁও আৰু চহৰত বসবাস কৰা বিভিন্ন স্তৰৰ মানুহৰ সুখ-দুখ, প্ৰেম-প্ৰীতি, ক্ষোভ-বঞ্চনা, হৰ্ষ-বিষাদ আদিৰ নিখুঁত চিত্ৰ প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ একাংশ গল্পত তেওঁৰ সমকালীন সমাজখনৰ অবিচাৰ-অনাচাৰ, কু-সংস্কাৰ, অন্ধবিশ্বাস, নীচতা-হীনতা, ভণ্ডামি-শঠতা আদি দোষ-ত্ৰুটিৰ হাস্য-ব্যঙ্গাত্মক ৰূপায়ণ লক্ষ্য

কৰিবলগীয়া। তেওঁ ৰচিত 'ভোকেন্দ্ৰ বৰুৱা', 'মলক গুইন্ গুইন্', 'নাঙলুচন্দ্ৰ দাস' 'ধৰ্মধ্বজ ফয়চলা নবিছ' আদি গল্প এই শ্ৰেণীৰ অন্তৰ্ভুক্ত।এনেবোৰ গল্পত তেওঁৰ কৃপাবৰী সংস্কাৰধৰ্মী আদৰ্শৰ প্ৰকাশ সুস্পষ্ট। এই প্ৰসঙ্গত তেওঁৰ গল্পৰ আলোচনাৰ প্ৰসঙ্গত মহেশ্বৰ নেওগে আগবঢ়োৱা এটি মন্তব্য উল্লেখ কৰিব পাৰি— "বেজবৰুৱাই তেওঁৰ বেছিভাগ গল্পক সামাজিক সমালোচনাৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। নতুন শাসনৰ লগত খাপ খুৱাব নোৱাৰা আৰু তাৰ সুবিধা লৈ গঙাটোপ হোৱা পুৰণি আৰু নতুন অভিজাত সম্প্ৰদায়ৰ ভেদ ভাঙি দিয়াটোৱেই যেন তেওঁৰ গল্পৰ উদ্দেশ্য।" আনহাতে তেওঁৰ আন একাংশ গল্পত মানুহৰ সুখ-দুখ, আশা-নিৰাশা, খং-ক্ষোভ, বেদনা-বিষাদ, প্ৰেম-অপ্ৰেম, আবেগ-অনুভূতি, শোষণ-নিষ্পেষণ-বঞ্চনা আদি একান্ত আন্তৰিকতা আৰু সংবেদনশীলতাৰে ৰূপায়িত হৈছে। 'বাপিৰাম', 'লম্বোদৰ ডেকা', 'জাতিৰামৰ জাত', 'জলকুঁৰৰী', 'নকওঁ', 'কাশিবাসী', 'ভদৰী' আদি গল্পক এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এনেবোৰ গল্পত বেজবৰুৱাৰ মানৱতাবোধ আৰু উদাৰতাৰ প্ৰকাশ স্পষ্ট।

জীৱনৰ সৰহভাগ সময় বেজবৰুৱাই অসম এৰি বংগদেশত কটাবলগীয়া হোৱাত বঙালী সমাজৰ আচাৰ-নীতি, আদব-কায়দা, ধ্যান-ধাৰণা আদিৰ বিষয়ে সম্যকভাৱে জানিবৰ সুযোগ পাইছিল। তেওঁৰ কোনো কোনোটো গল্পত বাংলা সমাজ জীৱনৰ চিত্ৰও পৰিস্ফুটিত হৈছে। 'লাওখোলা', 'ভুৰুকী বৌ' আদি গল্পৰ পৃষ্ঠভূমি বঙালী সমাজ। উৰিষ্যাৰ সম্বলপুৰৰ পটভূমিত ৰচিত গল্পও তেওঁৰ আছে।

বেজবৰুৱা আছিল অসমীয়া বাচিক কলাৰ অন্তৰ্ভুক্ত 'সাধুকথা'ৰ সংগ্ৰাহক আৰু পুনৰ্কথক। সাধুকথাৰে সৈতে সুগভীৰ আত্মীয়তাৰ বাবেই হয়তো অসমীয়া চুটিগল্পৰ জনক গৰাকীয়ে তেওঁৰ কোনো কোনো গল্পৰ ৰীতি-প্ৰকৃতি, সাধুকথাৰ আধাৰতে গঢ়ি তুলিছে। অকল সেয়ে নহয়, তেওঁ এখন গল্প পুথিৰ নামকৰণো কৰিছে — *সাধুকথাৰ কুকি*। সেইদৰে 'ফিৰিঙতিৰ পৰা খাণ্ডৰ দাহ' গল্পটোকো তেওঁ বুলিছে— 'এবেগতীয়া সাধু'।তেওঁৰ কোনো কোনো গল্পত সাধুকথাৰ দৰেঅতিপ্ৰাকৃত ঘটনা-পৰিস্থিতি আদিৰো সমাবেশ ঘটিছে। 'লাওখোলা' গল্পৰ কাহিনী অলৌকিকতাৰ পটভূমিত গঢ়ি উঠা বাবে তাৰ পৰিৱেশগত বাস্তৱতা বিঘ্নিত নোহোৱাকৈ থকা নাই। অতিৰঞ্জন আৰু বিস্ময়কৰ ঘটনাৰ সংযোজনেও তেওঁৰ একাংশ গল্পক সাধুকথাৰ শাৰীলৈ লৈ গৈছে। 'মিষ্টাৰ ফিপ্সন', 'লাওখোলা' আদি গল্পত প্ৰাসঙ্গিক ঘটনাৰ ওপৰত গুৰুত্ব দিয়া বাবে সিবোৰত কাহিনীৰ সংহত ৰূপ ফুটি উঠা নাই।

কম কথাত বেছি ভাব প্ৰকাশ কৰাটো গল্পৰ ধৰ্ম, কিন্তু বেজবৰুৱাৰ গল্পত সেই গুণৰ বহু সময়ত ব্যতিক্ৰম ঘটিছে। সেইবাবে তেওঁৰ সৰহ সংখ্যক গল্প আঙ্গিকৰ দিশৰ পৰা নিটোল হোৱা নাই। অৱশ্যে 'সেউতী', 'ভদৰী', 'বাপিৰাম', 'জলকুঁৰৰী', 'কন্যা', 'ধোঁৱাখোৱা' আদি একাংশ গল্পক সীমিত পৰিসৰৰ ভিতৰত গাল্পিক কলা-কৌশলেৰে প্ৰাণৱন্ত কৰিবলৈ তেওঁ সক্ষম হৈছে।

বেজবৰুৱাৰ 'নিস্তাৰিণী দেৱী', 'ভুৰুকী বৌ', 'মাধৈ মালতী', 'লম্বোদৰ ডেকা' আদি গল্প গ্ৰাম্য সমাজ জীৱন আধাৰিত। এনেবোৰ গল্পত পৰম্পৰাগত অসমীয়া সমাজখনৰ বিশ্বাস-অবিশ্বাস, সংস্কাৰ, আচাৰ-নীতি, উৎসৱ-অনুষ্ঠান, খাদ্যাখাদ্য, সাজ-পাৰ আদিৰ উল্লিখন-বৰ্ণন মন কৰিবলগীয়া। এনেবোৰ গল্পত চৰিত্ৰ চিত্ৰণতো গল্পকাৰৰ অন্তৰ্মুখিতাৰ পৰিচয় পোৱা যায়।

বেজবৰুৱাৰ গল্পত প্ৰেম প্ৰীতিৰ চিত্ৰণ বৰ্ণনৰ সংযোগতো তেওঁৰ সৃজনীশীল প্ৰতিভাৰ প্ৰকাশ ঘটিছে। 'কন্যা', 'নকওঁ', 'জলকুঁৱৰী', 'ৰতন মুণ্ডা' আদি গল্পত প্ৰেম-প্ৰীতিৰ চিত্ৰণ-বৰ্ণন মন কৰিবলগীয়া।'নকওঁ'গল্পত এহাল প্ৰেমিক-প্ৰেমিকাৰ পাৰস্পৰিক প্ৰেমানুভুতিৰ আকৰ্ষণ চিত্ৰিত হৈছে। 'কন্যা' গল্পত কোল-গাভৰুজনীৰ প্ৰেম অন্তঃসলিলা ফল্গুৰ দৰে। 'ৰতন মুণ্ডা' গল্পত ৰতন মুণ্ডা আৰু জুমুৰীৰ প্ৰেমৰ চিত্ৰণ সংবেদনশীল।

বেজবৰুৱাই তেওঁৰ নাৰী চৰিত্ৰসমূহক সহৃদয়তাৰে চিত্ৰিত কৰিছে। নাৰীৰ মহত্ত্ব আৰু গৰিমা, সাহসিকতা, সৰলতা, উপস্থিত বুদ্ধি, ত্যাগ, সহনশীলতা আদিৰ ৰূপায়ণত তেওঁ কুশলহস্তৰ পৰিচয় দিছে। 'জয়ন্তী', 'সেউজী', 'ভদৰী' আদি নাৰী চৰিত্ৰ বেজবৰুৱাৰ অনুপম সৃষ্টি।

বেজবৰুৱাৰ কোনো কোনো গল্পত, সমাজৰ কাঁইটনিত পৰি ক্ষত-বিক্ষত হোৱা কোনো পুৰুষ বা নাৰীয়ে ধৰ্মত শৰণ লৈ অথবা দেৱ-দেৱীৰ আশীৰ্বাদ লভি নাইবা সমাজ সেৱাত আত্মনিয়োজন কৰি সুখ-শান্তি লাভ কৰিছে। 'কাশীবাসী' গল্পত অসমীয়া সমাজৰ কু-সংস্কাৰৰ বলি হোৱা বুঢ়ীগৰাকীয়ে কাশীলৈ গৈ 'অনাথৰ নাথ বিশ্বনাথ'ৰ চৰণত শৰণ লৈ শান্তি লভিছে। 'পাতমুগী' গল্পত আকৌ নায়িকা পাতমুগীয়ে পুৰুষ জাতিৰ প্ৰবঞ্চনা, দুৰ্বলতা আৰু নিষ্ঠুৰতাৰ বলি হৈ মহাত্মাৰ আদৰ্শেৰে সমাজ সেৱাত ব্ৰতী হৈ শান্তি লাভ কৰিছে।

বেজবৰুৱাৰ 'চাইমন' আৰু 'আমালৈ নাপাহৰিব' গল্পৰো কেন্দ্ৰীয় চৰিত্ৰ নাৰী। দুয়োটা গল্পতে নাৰী চৰিত্ৰ দুটাৰ মাতৃভূমি অসমৰ প্ৰতি থকা গভীৰ আকৰ্ষণৰ অনুভূতি প্ৰকাশ পাইছে।

বেজবৰুৱাৰ গল্পৰ উপস্থাপন ৰীতি পোনপটীয়া, কথন ৰীতি সৰল আৰু ভাষা সাৱলীল। ঘৰুৱা ফঁকৰা যোজনা, প্ৰৱচন-পটন্তৰ, খণ্ডবাক্য আৰু উপমাদি অলঙ্কাৰৰ প্ৰয়োগে তেওঁৰ ভাষাৰীতিক প্ৰাণৱন্ত কৰি তুলিছে। ওপৰত উল্লেখ কৰি অহা হৈছে যে বেজবৰুৱা সমাজ সচেতন আৰু সংস্কাৰবাদী লেখক। সমাজ জীৱনৰ ভেম-ভণ্ডামি, কু-সংস্কাৰ অন্ধবিশ্বাস আদি এশ এবুৰি ত্ৰুটি নিৰ্মূল কৰাৰ আঁচনিলৈ তেওঁ কলম হাতত তুলি লৈছিল— ব্যঙ্গ-বিদ্ৰূপৰ আশ্ৰয় লৈছিল। ব্যঙ্গাত্মক হোৱা বাবে তেওঁৰ কোনো কোনো গল্পৰ কলাত্মক আবেদন বিঘ্নিত হ'লেও অসমীয়া সমাজৰ নিৰ্ভুল চিত্ৰ একোখনি তেওঁৰ সৰহ সংখ্যক গল্পতেই প্ৰতিফলিত হৈছে আৰু গল্পকাৰ গৰাকীৰ গল্পৰ বৈশিষ্ট্যবাজিও সেইবোৰ চিত্ৰৰ প্ৰতিফলনৰ সংযোগত প্ৰকাশ লাভ কৰিছে।

বিশিষ্ট সমালোচক ত্রৈলোক্যনাথ গোস্বামীয়ে বেজবৰুৱাৰ গল্পৰ আলোচনাৰ প্ৰসঙ্গত আগবঢ়োৱা অভিমত এইখিনিতে উল্লেখ কৰিব পাৰি— "জীৱনৰ জটিলতা, অনুভূতিৰ গভীৰতা, মানব মনৰ ক্ষুদ্ৰত্ব আৰু মহত্ত্ব বেজবৰুৱাৰ গল্পৰ মাজেদি ফুটাই তোলাৰ আদৰ্শ নাই। তথাপি তেওঁৰ গল্প ৰসাল, মনোগ্ৰাহী। ভাষাৰ সাৱলীলতা আৰু হাস্যৰসৰ মাদকতাৰে তেওঁ পাঠকৰ মন আকৰ্ষণ কৰে। অসমৰ গ্ৰাম্য আৰু নগৰীয়া জীৱন দুয়োটাৰে লগত তেওঁৰ সম্বন্ধ আছে। কিন্তু সৰহভাগ গল্পৰ চৰিত্ৰ গ্ৰাম্য জীৱনৰ পৰা অনা। এই চৰিত্ৰবোৰ সমাজৰ পৰা আঁতৰি যোৱা নাই, কিন্তু সংস্কাৰকামী মনোভাবে সমাজৰ দোষ-দুৰ্বলতাৰ প্ৰতি তেওঁৰ সচেতনতা বঢ়াই দিয়াত ব্যঙ্গাত্মক বাক্যবাণেৰে সমাজৰ গুৰিয়ালসকলক জৰ্জৰিত কৰাৰ আকাংক্ষা তেওঁৰ গল্পত বেছিকৈ পৰিস্ফুট হৈছে। অতিৰঞ্জন আৰু অতিশয়োক্তিয়েও তেওঁৰ গল্পত স্থান পাইছে। গল্পৰ মাজেদি সুকুমাৰ অনুভূতি প্ৰকাশৰ চেষ্টা তেওঁৰ হয়তো নাছিল।"



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? (150 টা শব্দৰ ভিতৰত)

৫.৪ 'মুক্তি'

'মুক্তি' লক্ষ্মীনাথ বেজবৰুৱাৰ এটা সাৰ্থক গল্প। এই গল্পটো তেওঁৰ সেইসমূহ অসঙ্কলিত গল্পৰ ভিতৰত পৰিব যিসমূহ তেওঁৰ জীৱিত কালত ৰূপ পোৱা গল্প সংকলনকেইখনত স্থান পোৱা নাই। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে এটি মুকলিমূৰীয়া মনৰ সৰু ল'ৰা সুকুমাৰ। কঠোৰ আৰু অবিবেকী কামৰ পৰিণতি যে ভয়াৱহ হ'ব পাৰে সেই কথা এই গল্পটোত দেখুওৱা হৈছে।

৫.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

অসমীয়া চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত মুক্তি গল্পটোৰ প্ল'ট অজটিল আৰু উপস্থাপনো পোনপটীয়া। গল্পটোত অসমীয়া গ্ৰাম্য সমাজৰ এজন পঢ়া-শুনাৰ প্ৰতি সম্পূৰ্ণ অমনোযোগী স্কুলীয়া ছাত্ৰ সুকুমাৰক কঠোৰ শাসনৰ তলত ৰাখি, তাৰ ইচ্ছাৰ বিৰুদ্ধে পঢ়ুৱাবলৈ যত্ন কৰোতে শেষত তাৰ জীৱনৰ কেনে কৰুণ পৰিণতি ঘটিল, সেই কথাই গল্পটোত উপস্থাপিত হৈছে। বৰ্ণনামূলক ৰীতিৰে ৰচিত গল্পটোৰ বিষয়বস্তু আৰু লক্ষ্যৰ একমুখিতাই তাক এক সুসংহত আৰু নিটোল ৰূপ প্ৰদান কৰিছে। গল্পটোৰক'তো বৰ্ণনা বাহুল্য নাই। বেজবৰুৱাৰ বাক্‌সংযমৰ নিদৰ্শন মুক্তি গল্পই যথাৰ্থভাৱে দাঙি ধৰিছে। সুকুমাৰ, দেৱকুমাৰ আৰু উভয়ৰে মাক-দেউতাকৰ চৰিত্ৰ চিত্ৰণত তেওঁ সফলতা লাভ কৰিছে। সুকুমাৰ চৰিত্ৰৰ চিত্ৰণত বেজবৰুৱাৰ সহানুভূতিশীলতাৰ

পৰিচয় পাব পাৰি।গল্পটোৰ পৰিণতি কৰুণ আৰু এই কাৰুণ্য সৃষ্টিত বেজবৰুৱাৰ সুদক্ষ হাতৰ পৰশ স্পষ্ট।

গল্পটোৰ ভাষাৰীতি সৰল আৰু আবেদনক্ষম। তৎসম আৰু তদ্ভৱ শব্দৰ লগতে অসমীয়া যুৰীয়া শব্দৰ প্ৰয়োগে ইয়াৰ ভাষাক এক ঘৰুৱা ৰূপ দান কৰিছে। গল্পটোত প্ৰয়োগ হোৱা যুৰীয়া শব্দ কেতবোৰ হ'ল— আকাশ-পাতাল, গা-পা, পঢ়া-শুনা, ধৰা-বন্ধা, থেৱো-গেঁৱো, ডাঙৰ-দীঘল, ম'হ- গৰু, পুৱা-গধুলি, নেৱা-নেপেৱা, দেউতাক-মাক, ইত্যাদি। গল্পটোত প্ৰয়োগ হোৱা 'দিন-ৰাতিৰ দোমোজা কালডোখৰ সকলোৰে পক্ষে ভয়ানক', 'মুকলি আকাশত উৰি ফুৰা চৰাই লোৰ সঁজাত বান্ধ খালে' আদি বাক্যৰ অৰ্থ ঘনত্বই ইয়াৰ গদ্যৰীতিক বিশিষ্ট মাত্ৰা দান কৰিছে।

এনেদৰে বিচাৰ কৰিলে, বিষয়বস্তু আৰু বিন্যাস প্ৰণালী উভয় দিশৰ পৰাই 'মুক্তি' গল্পটোক বেজবৰুৱাৰ সাৰ্থক নিৰ্মিতি বুলি নিঃসন্দেহে ক'ব পাৰি।

৫.৪.২ গল্পটোৰ কাহিনীভাগ

লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত গল্পসমূহৰ ভিতৰত *মুক্তি* শীৰ্ষক গল্পটো অন্যতম উল্লেখযোগ্য গল্প। গল্পটোৰ কাহিনীভাগ এনে ধৰণৰ—

সুকুমাৰ আঢ্যৰন্ত পৰিয়ালৰ সন্তান। সি বুদ্ধিমান যদিও তাৰ পঢ়া-শুনাৰ প্ৰতি অকণো আগ্ৰহ নাই। তাৰ বয়স চৈধ্য বছৰ,কিন্তু পঢ়ে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীত। দেউতাকে অনবৰতে তাক পঢ়িবলৈ কয়। দেউতাকৰ নিৰ্দেশ মানি সি কিতাপ মেলি লয় যদিও পঢ়াত তাৰ মন নবহে।সেই সময়ত সি আম, জামু, মধুৰি আম আদি ফলমূল কাৰ বাৰীত পোৱা যায়, ক'ত বৰলে বাঁহ সাজিছে, বৰলৰ বাঁহ ভাঙি তাৰ টোপ লৈ ক'ত বৰশী বাই মাছ ধৰিব, ক'ত চৰাই পোৱালি পোৱা যাব, ইত্যাদি নানান বাহিৰা চিন্তাত ব্যস্ত হৈ পৰে। মুঠতে, পঢ়াতকৈ মুকলিমূৰীয়া জীৱন এটা যাপন কৰাৰ প্ৰতি সি অধিক আগ্ৰহী।

এদিন শিক্ষকে সুকুমাৰৰ পঢ়াৰ প্ৰতি অমনোযোগিতাৰ কথা তাৰ দেউতাকক জনালেহি। দেউতাকে তাক চেকনিৰে কোবাই শাস্তি বিহিলে। সি অভিমান কৰি ঘৰৰ পৰা ওলাই গৈ ৰাতিলৈকে কোনেও দেখা নোপোৱাকৈ তেঁতেলী গছ এজোপাত উঠি থাকিলগৈ। মাকে তাক বিচাৰি নাপাই ইনাই-বিনাই কন্দা-কটা আৰম্ভ কৰিলে।

পিছদিনা পুৱা ভোকে-পিয়াহে লালকাল দি সুকুমাৰ ঘৰলৈ উভতি আহিল। মাকে তাক সাৰটি ধৰি চকুপানী মচিলে। দেউতাকেও মিঠা মাতেৰে বুজনি দিলে।

সুকুমাৰৰ দেউতাক পু�ৰণি ধৰণৰ মানুহ। তেওঁ ভাবিছিল যে সুকুমাৰক বিদ্যালয়ত নামভৰ্তি কৰোৱাই পঢ়িবলৈ দিয়া হৈছে যেতিয়া সি পঢ়ি-শুনি জনা-বুজা হ'ব। তেওঁ জনা নাছিল যে সেই সময়ত আগৰ দিনৰ নিচিনা বিদ্যাৰ্থীক পৱিত্ৰ বিদ্যা দান কৰা পঢ়াশালি আৰু নাই। সেই সময়ত যি বিদ্যালয় গঢ়ি উঠিছিল সি মাথোন চকী, মেজ

আদিৰে বিভূষিত "গুৰু-শিষ্যৰ আন্তৰিকতাশূন্য ক্ষন্তেকীয়া সম্বন্ধেৰে সম্বন্ধ লগা নির্মম মহলা লোৱা কাৰখানাহে।" সেয়েহে শিক্ষকে সুকুমাৰৰ পঢ়াৰ প্রতি অমনোযোগিতাৰ কথা দেউতাকৰ আগত লগোৱাত তেওঁ তাক প্রহাৰ কৰিছিল।

সুকুমাৰৰ ককায়েক দেৱকুমাৰ। দেৱকুমাৰে যথাৰীতি পঢ়া-শুনা কৰি কলিকতাৰ পৰা আইনৰ উপাধি লৈ ডিব্রুগড়ত ওকালতি কৰে। তেওঁৰ আয় ভাল, সমাজত যশ-প্রতিপত্তিও আছে। দেউতাকে দেৱকুমাৰক লৈ গৌৰৱ কৰে। দেৱকুমাৰ ছমাহে, বছৰেকে প্রধান ঘৰলৈ আহে। ককায়েক আহিব বুলি আগতীয়াকৈ জানিব পাৰিলে সুকুমাৰৰ হিয়া আনন্দে নধৰা হয়। কিন্তু আহি পোৱাৰ পিছত সি ককায়েকৰ আগত ওলাবলৈ সঙ্কোচবোধ কৰে। কিয়নো, পঢ়া-শুনাত মন নিদিয়াৰ বাবে তাক ককায়েকে গালি-গালাজ পাৰে।

এবাৰ পূজা বন্ধত দেৱকুমাৰে ঘৰলৈ আহি মাক-দেউতাকক জনালে যে তেওঁ সুকুমাৰক লগত লৈ যাব আৰু নিজৰ তত্ত্বাৱধানত পঢ়ুৱাব। কথাটো শুনি মাকে চকুপানী টুকিলে। সুকুমাৰৰো ভয়তে অণ্ঠ-কণ্ঠ শুকাই গ'ল। নিৰুপায় হৈ সি ককায়েকৰ লগত যাবলৈ সাজু হ'ল। মাকে সুকুমাৰক চুমা এটা খাই ককায়েকৰ আদেশ-নির্দেশ মানিবলৈ উপদেশ দি তাক বিদায় দিলে।

দেৱকুমাৰে সুকুমাৰক কঠোৰ শাসনত ৰাখি পঢ়িবলৈ বাধ্য কৰালে যদিও তাৰ ফল হ'ল ওলোটা। তাৰ ইচ্ছাৰ বিৰুদ্ধে তাক ঘৰৰ পৰা পঠিয়াই দিয়াত তাৰ স্বভাৱ বিদ্রোহী হৈ উঠিল। তাৰ বুদ্ধি-বৃত্তি অকর্মণ্য হৈ পৰিল। ককায়েকৰ শাসন, গালি-গালাজ, প্রহাৰ আদি যিমানেই বাঢ়িবলৈ ধৰিলে, যিমানেই তাৰ বুদ্ধি-বৃত্তি আৰু স্মৃতি আৰু পাঠ গ্রহণ কৰিব পৰা ক্ষমতা সিমানেই কমিবলৈ ধৰিলে।

এদিন ককায়েক দেৱকুমাৰে তাৰ পঢ়াৰ মহলা ল'বলৈ বহি দেখে যে সি কোনো এটা উত্তৰেই দিব নোৱাৰে। ককায়েক দেৱকুমাৰ অগ্নিশর্মা হৈ উঠিল আৰু তাক প্রহাৰ কৰাৰ লগতে গালি-শপনিও পাৰিলে। সুকুমাৰ কিন্তু নিশ্চল হৈ ৰ'ল। সিদিনাই ৰাতি সুকুমাৰ ৰ জ্বৰ উঠিল আৰু সাদিনলৈকে সি নেৰানেপেৰা জ্বৰত ভুগিলে। ডাক্তৰৰ পৰামর্শ অনুসৰি ককায়েকে মাক-দেউতাকলৈ তাৰ জ্বৰৰ খবৰ পঠিয়ালে। খবৰ পাই মাক-দেউতাক বিহ্বল হৈ পৰিল। সুকুমাৰে জ্বৰৰ প্রকোপত ভ্রম বকিবলৈ ধৰিলে। তাৰ অৱচেতন মনত থুপ খাই থকা নানান কথা তাৰ মুখৰ পৰা ওলাই আহিবলৈ ধৰিলে। গল্পকাৰৰ ভাষাত, তাৰ মুখৰ পৰা ওলোৱা কথাবোৰ হ'ল— "আই, তুমি আহিছা? মই পোহা চৰাই আৰু আন জন্তুবোৰ কেনে আছে? সিহঁতে মোক বিচাৰেনে? মই গৈ সিহঁতৰ সৈতে উমলিম। মই পঢ়িম আই, তুমি নাভাবিবা। ককাইদেৰে মই পঢ়া-শুনা নকৰাত বৰ বেয়া পাইছে। মই পঢ়িম, ডাঙৰ মানুহ হ'ম।..."

গল্পটো অতিকৈ তাৎপর্যপূর্ণ। কঠোৰ শাসনে যে ল'ৰা-ছোৱালীক পঢ়া-শুনাৰ প্রতি আগ্রহী কৰিব নোৱাৰে, সেই সত্য গল্পটোৰ মাজেদি তুলি ধৰা হৈছে। তদুপৰি

ইয়াৰ জৰিয়তে পৰিৱর্তিত শিক্ষা ব্যৱস্থাৰ ওপৰতো পোহৰ পেলোৱা হৈছে। আজিও আমাৰ সমাজত সুকুমাৰৰ দৰে অসংখ্য ল'ৰা আছে। গল্পটো উদ্দেশ্যধর্মী।



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ 'মুক্তি' গল্পত চিত্রিত হোৱা সুকুমাৰ নামৰ কিশোৰজনৰ মানসিক জগতখনৰ পৰিচয় দিয়ক। (150 টা শব্দৰ ভিতৰত)

৫.৪.৩ গল্পটোৰ চৰিত্রসমূহ

বেজবৰুৱাৰ দ্বাৰা ৰচিত মুক্তি শীর্ষক গল্পটোত চিত্রিত চৰিত্র চাৰিটা— সুকুমাৰ, দেৱকুমাৰ আৰু সুকুমাৰ-দেৱকুমাৰৰ পিতৃ আৰু মাতৃ।

- **সুকুমাৰ ঃ** 'মুক্তি' গল্পৰ কেন্দ্রীয় চৰিত্র সুকুমাৰ। সুকুমাৰ আঢ্যৱন্ত ঘৰৰ ল'ৰা। তাৰ বয়স চৈধ্য বছৰ। সি ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ চতুর্থ শ্রেণীৰ ছাত্র। তাৰ বুদ্ধি ভাল, কিন্তু পঢ়া-শুনাত ৰাপ নাই। দেউতাকে তাক পঢ়িবলৈ সদায় সঁকীয়াই থাকে আৰু সিও কিতাপ মেলি পঢ়িবলৈ বহে। কিন্তু পঢ়াত তাৰ মুঠেই মন নবহে। মুক্ত বিহংগৰ দৰে এটা মুক্ত জীৱন অতিবাহিত কৰিবলৈহে সি পৰম আগ্রহী। সি পকা ফলমূল বিচাৰি ঘূৰি ফুৰিবলৈ, বৰশী বাই মাছ মাৰিবলৈ আৰু চৰাই পোৱালি বিচাৰি আনি পুহিবলৈ ভাল পায়। পঢ়াৰ প্রতি অমনোযোগিতাৰ কথা স্কুলৰ শিক্ষকে তাৰ দেউতাকক জনোৱাত, তেওঁ তাক চেকনিৰে কোবাই শাস্তি বিহিছে। তেতিয়া সি হৈছে অভিমানী আৰু ঘৰৰ পৰা আঁতৰি গৈ কোনেও নেদেখাকৈ তেঁতেলী গছত উঠি এদিন-এৰাতি কটাইছে। ককায়েক দেৱকুমাৰে তাক ডিব্রুগড়লৈ লৈ গৈ নিজৰ কঠোৰ শাসন আৰু তত্ত্বাৱধানত ৰাখি পঢ়ুওৱাৰ ব্যৱস্থা কৰিলে যদিও তাৰ ফল হ'ল বিষময়। ককায়েকৰ গালি-শপনি আৰু প্রহাৰৰ ফলস্বৰূপে তা ৰ বুদ্ধি নাশ হ'ল আৰু সি অকর্মণ্য হৈ পৰিল। অৱশেষত, সি নেৰানেপেৰা জ্বৰত ভুগি আৰু ভ্রম বকি তাৰ জীৱনৰ কৰুণ পৰিসমাপ্তি ঘটালে।

কঠোৰ অনুশাসন আৰু ভীতি প্রদর্শনেৰে যে বিদ্যার্থী এজনক পঢ়া-শুনাৰ প্রতি আগ্রহী কৰি তুলিব নোৱাৰি, বৰং তেনে অনুশাসন আৰু ভীতি প্রদর্শনে যে বিদ্যার্থীৰ অনিষ্ট সাধনহে কৰে, তাৰ এক জীৱন্ত উদাহৰণ সুকুমাৰ। গ্রাম্য সমাজৰ পাৰিপার্শ্বিক বাস্তৱতাৰ পটভূমিত চিত্রিত সুকুমাৰ চৰিত্রৰ যোগেদি গল্পকাৰ বেজবৰুৱাই গল্পটো ৰচনাৰ উদ্দেশ্য দক্ষতাৰে প্রকাশ কৰিবলৈ সক্ষম হৈছে। সুকুমাৰৰ চৰিত্র চিত্রণত লেখকৰ সহানুভূতিশীলতাৰ পৰিচয় পোৱা যায়। সুকুমাৰৰ জীৱনৰ কৰুণ পৰিণতিয়ে যিকোনো পাঠকৰ হৃদয়-মন শোকস্তব্ধ কৰি তুলিব পাৰে।

বেজবৰুৱাৰ বাস্তৱ অভিজ্ঞতা আৰু পর্যবেক্ষণশীলতাৰ ছাপ সুকুমাৰ চৰিত্রত স্পষ্ট। আজিও আমাৰ গ্রাম্য সমাজত সুকুমাৰৰ দৰে ল'ৰাৰ অভাৱ নাই। 'সুকুমাৰ' বেজবৰুৱাৰ দ্বাৰা সৃষ্ট এটি ব্যতিক্রমধর্মী চৰিত্র।

- **দেৱকুমাৰ ঃ** 'মুক্তি' গল্পৰ অন্যতম চৰিত্র দেৱকুমাৰ। দেৱকুমাৰ সুকুমাৰৰ ককায়েক। তেওঁ ডিব্রুগড়ত ওকালতি কৰে। আধুনিক শিক্ষাৰে শিক্ষিত দেৱকুমাৰ মর্যাদা সচেতন। ভায়েক সুকুমাৰক শিক্ষিত কৰি তুলিবলৈ তেওঁ চেষ্টা কৰাটো স্বাভাৱিক; কিন্তু তাৰ বাবে তেওঁ যি উপায় অৱলম্বন কৰিছে, সেয়া নিষ্ঠুৰতা আৰু বিবেকহীনতাৰ পৰিচায়ক। আধুনিক শিক্ষাই তেওঁক আভিজাত্যৰ গর্বেৰে গর্বিত কৰিছে, কিন্তু সুকুমাৰৰ অন্তর্জগতৰ সম্ভেদ ল'বলৈ চেষ্টা কৰা নাই। ফলস্বৰূপে তাক শিক্ষিত কৰি তুলিবলৈ তেওঁ অসমর্থ হ'ল। দেৱকুমাৰ যদি দূৰদৃষ্টিসম্পন্ন হ'লহেঁতেন, ভায়েক সুকুমাৰৰ মনস্তত্ত্ব অধ্যয়ন কৰিব পৰা ক্ষমতাৰ অধিকাৰী হ'লহেঁতেন, তেতিয়া হয়তো তেওঁ তাক শিক্ষিত কৰি তুলিবলৈ সমর্থ হ'লহেঁতেন। দেৱকুমাৰ চৰিত্রৰ চিত্রণতো বেজবৰুৱাৰ পৈণত অভিজ্ঞতাৰ ছাপ আছে। দেৱকুমাৰ চৰিত্রৰ প্রাসংগিকতা আজিও বর্তমান। গল্পটোৰ কৰুণ পৰিণতিত দেৱকুমাৰৰ ভূমিকা নিঃসন্দেহে মনত লগাকৈ প্রতিপাদিত হৈছে।
- **মাকৰ চৰিত্র ঃ** 'মুক্তি' গল্পটোৰ আন এটা চৰিত্র হ'ল সুকুমাৰ আৰু দেৱকুমাৰৰ মাতৃ গৰাকী। চৰিত্রটোৰ যোগেদি এগৰাকী পুত্রবৎসলা নাৰীৰ স্বৰূপ যথার্থভাবে প্রকাশিত হৈছে। পঢ়া-শুনা কৰিব নোৱাৰিলেও পুতেক সুকুমাৰৰ প্রতি তেওঁৰ মৰম স্নেহ টুটি যোৱা নাই। দেউতাকে সুকুমাৰক চেকনিৰে কোবাই শাস্তি বিহাত সি কোনেও নেদেখাকৈ তেঁতেলী গছত উঠি এদিন-এৰাতি কটালে। মাকে তাক বিচাৰি নাপাই 'মোৰ ল'ৰাটো ক'লৈ গ'ল' বুলি কান্দি-কাটি অস্থিৰ হোৱা ঘটনাই তেওঁৰ মাতৃস্নেহৰ গভীৰতাকে প্রকাশ কৰিছে। সেইদৰে দেৱকুমাৰে তাক লগত লৈ ডিব্রুগড়লৈ যাবলৈ ওলালত এইগৰাকী মাতৃয়ে সুকুমাৰৰ মুখত চুমা খাই— "হেৰ, তই ককাইদেৱেৰৰ হাক-বচন মানি চলিবি, মোৰ সোণাই আৰু মন দি পঢ়িবি" বুলি যেতিয়া কৈছে আৰু লগতে বৰপুতেকৰ মূৰত হাত ফুৰাই, "হেৰ বৰবোপা, তাক তই বৰকৈ তম্বি নকৰিবি মোৰ মইনা; সি লাহে লাহে পঢ়িব; অঁজলা ল'ৰা, একেবাৰেই বৰকৈ টানি নধৰিবি" বুলি যেতিয়া অনুনয় বিনয় কৰিছে, তেতিয়া তেওঁ এগৰাকী সৰলমনা আৰু পুত্র স্নেহাতুৰা মাতৃ ৰূপেই আমাৰ চকুৰ আগত ধৰা দিছে। সেইদৰে সুকুমাৰৰ জ্বৰৰ বাতৰি পাই বিহ্বলা হোৱা মাতৃগৰাকীৰ মাজেদিও জিলিকি উঠিছে এগৰাকী মমতাময়ী মাতৃৰ পূর্ণ প্রতিকৃতি।
- **দেউতাকৰ চৰিত্র ঃ** 'মুক্তি' গল্পত চিত্রিত অন্যতম চৰিত্রটি হ'ল সুকুমাৰ— দেৱকুমাৰৰ দেউতাকজন। সুকুমাৰৰ দেউতাক ডাঙৰ মানুহ। তেওঁৰ কোনো অভাৱ-অনাটন নাই; কিন্তু তেওঁৰ চিন্তা-চেতনা পুৰণি ধৰণৰ। পৰিৱর্তিত শিক্ষা ব্যৱস্থাৰে সৈতে

তেওঁ পৰিচিত নহয়। সুকুমাৰক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নাম লগাই দিয়াৰ পিছত তেওঁ ভাবিছিল যে শিক্ষকে তাক যথোপযুক্তভাৱে শিক্ষিত কৰি তুলিব। তেওঁ জনা নাছিল যে— "আগৰ দিনৰ নিচিনা বিদ্যার্থীক পবিত্র বিদ্যা দান দিয়া পঢ়াশালি" আজিকালি আৰু নাই। তেওঁ এই কথাও জনা নাছিল যে আজিকালিৰ পঢ়াশালি "চকী, মেজ, বেঞ্চ, ঘড়ী, চকিদাৰ আদিৰে বিভূষিত আৰু গুৰু-শিষ্যৰ আন্তৰিকতাশূন্য ক্ষন্তেকীয়া সম্বন্ধেৰে সম্বন্ধ লগা নির্মম কাৰখানাহে। তাত ছাতৰৰ মানসিক সুবৃত্তিবোৰ পৰিবর্দ্ধিত নহৈ জাঁতত পিহ্ খোৱাদি পিহ্ খোৱাৰহে বন্দৰস্ত।" সেয়েহে, শিক্ষকে সুকুমাৰৰ পঢ়াৰ প্রতি অমনোযোগিতাৰ কথা তেওঁক জনালত, তেওঁ খং-ক্ষোভত অতিষ্ঠ হৈ তাক চেকনিৰে কোবাইছে। সুকুমাৰৰ কু-কথাই তেওঁক যিদৰে খঙাল কৰি তুলিছে সেইদৰে বৰপুত্র দেৱকুমাৰৰ যশ-খ্যাতিয়ে তেওঁক গৌৰৱান্বিত কৰিছিল। এনেদৰে অসমীয়া সমাজৰ এগৰাকী পৰম্পৰাবাদী আদর্শৰ প্রতি একান্ত অনুৰক্ত পিতৃৰ স্বৰূপ এইগৰাকী দেউতাকৰ চিন্তা-চেতনা আৰু কর্মৰ জৰিয়তে প্রকাশিত হৈছে। বেজবৰুৱাৰ সমাজ, জীৱন আৰু অভিজ্ঞতাৰ ছাপ সুকুমাৰৰ দেউতাকৰ চৰিত্র চিত্রণতো স্পষ্ট।

৫.৪.৪ গল্পটোৰ বিশেষত্ব

লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত 'মুক্তি' গল্পটোৱে বিষয়বস্তু আৰু উপস্থাপন ৰীতিৰ দিশৰ পৰা বিশিষ্টতা দাবী কৰে।

অসমৰ গ্রাম্য সমাজৰ পটভূমিত ৰচিত গল্পটোৰ কেন্দ্রীয় চৰিত্র এটি চৈধ্য বছৰীয়া কিশোৰ। নাম সুকুমাৰ। পঢ়া-শুনা ৰ প্রতি সম্পূর্ণ অমনোযোগী সুকুমাৰে মুক্ত-বিহংগৰ দৰে মুক্ত জীৱন যাপন কৰিব বিচাৰে। স্বভাৱতে সি বুদ্ধিমান; কিন্তু সেই বুদ্ধি সি পঢ়া-শুনাত খটুৱাব নিবিচাৰে। তাৰ কাৰণে শিক্ষকে বা দেউতাকে শাস্তি বিহিলেও, সি মাথোন অভিমানহে কৰে। সি বিদ্রোহী হৈ উঠে। ককায়েক দেৱকুমাৰ ভায়েকৰ ভৰিষ্যতক লৈ চিন্তিত হৈ পৰে। সেয়েহে তেওঁ সুকুমাৰক লগত লৈ গৈ কঠোৰ শাসনৰ তলত ৰাখি পুৱা-গধূলি নিজে তাৰ পঢ়া-শুনাৰ তত্ত্বাৱধান কৰিবলৈ ধৰিলে। সুকুমাৰে এই শাসন আৰু তত্ত্বাৱধান নির্বিবাদে গ্রহণ কৰি পঢ়িবলৈ লৈছিল যদিও তাৰ ফল হ'ল ওলোটা। তাৰ বুদ্ধি ভোটা হ'ল। পঢ়া পাঠ মনত নথকা হ'ল। ককায়েকে তাক কঠোৰ শাস্তি বিহিলে যদিও তাৰ পৰা শুভ ফল লাভ কৰিব নোৱাৰিলে। সুকুমাৰৰ জীৱনৰ কৰুণ সমাপ্তিহে ঘটিল।

গল্পটোত গল্পকাৰ বেজবৰুৱাই সুকুমাৰৰ মনস্তাত্ত্বিক দিশটোৰ ওপৰত পোহৰ পেলাইছে। কঠোৰ শাসন আৰু ভীতি প্রদর্শনেৰে কিশোৰ শিক্ষার্থী এজনক যে পঢ়া-শুনাৰ প্রতি আগ্রহী কৰিব নোৱাৰি, বৰং তেনে শাসন আৰু ভীতি প্রদর্শনে যে

শিক্ষার্থীজনৰ অপকাৰহে সাধন কৰে, সেই সত্যকেই গল্পটোত তুলি ধৰা হৈছে।

'মুক্তি' গল্পটোৰ জৰিয়তে আমাৰ গ্রাম্য সমাজৰ যি চিত্রৰ প্রতিফলন ঘটিছে, সি সম্পূর্ণৰূপে বাস্তৱ আৰু গল্পকাৰ বেজবৰুৱাৰ সমাজ সচেতন চিন্তাৰ পৰিচায়ক। এগৰাকী জাতীয় লেখকৰ জাতীয়তাবাদী দৃষ্টিভঙ্গীৰ প্রকাশ ঘটে তেওঁৰ ৰচনাত সমাজ জীৱন চিত্রৰ নির্ভুল প্রতিফলনৰ যোগেদি। 'মুক্তি' গল্পত চিত্রিত সমাজ আৰু ব্যক্তিসমূহ সম্পূর্ণ ৰূপে অসমীয়া। গল্পটোত যিবোৰ ঘটনাৰ সমাবেশ ঘটিছে সেইবোৰতো অসমৰ মাটিৰ গোন্ধ আছে। গল্পটোৰ কাহিনী-চৰিত্র-ঘটনা আদি আজিও প্রাসঙ্গিক। সেয়েহে, 'মুক্তি' গল্পটোক বেজবৰুৱাৰ জাতীয় চেতনাযুক্ত গল্প হিচাপে চিহ্নিত কৰিব পাৰি।



চিন্তা-চর্চা কৰক - ২.১

লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত গল্পসমূহৰ মাজৰ পৰা শিশু বা কিশোৰ কেন্দ্রিক অন্যান্য গল্প বাচি উলিয়াই তাত চিত্রিত হোৱা শিশু বা কিশোৰ চৰিত্রৰ বিশ্লেষণ আগবঢ়াওক।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি' গল্পটোৰ আলোচনা কৰিলোঁ। এই আলোচনাৰ যোগেদি আমি বেজবৰুৱাৰ চমু পৰিচয় আৰু তেওঁৰ ৰচনাৰাজিৰ বিষয়ে জানিব পাৰিলোঁ।
- তদুপৰি এই গল্পৰ আলোচনাৰ যোগেদি তেওঁৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য সম্পর্কেও সম্যক আভাস পালোঁ। এই আলোচনাই বেজবৰুৱাৰ 'মুক্তি' গল্পটোৰ বিষয়বস্তু-ৰচনাৰীতি-চৰিত্রাদিৰ সম্যক ধাৰণা লাভ কৰাত আমাক সহায় কৰিলে।
- তেওঁৰ গল্পটোৰ জৰিয়তে প্রকৃতার্থত আমাক কি জনাব বিচাৰিছে, সেই কথাও এই আলোচনাৰ পৰা স্পষ্টভাৱে বুজিলোঁ। এই আলোচনাই বেজবৰুৱাৰ ভাষাৰীতিবোৰ সম্ভেদ দিলে। মুঠতে; গল্পকাৰ স্বৰূপে বেজবৰুৱাক মূল্যায়ন কৰাত এই আলোচনাই যথেষ্ট পৰিমাণে সহায় কৰিব।



৫.৬ অধিক জানিবলৈ

1) গগৈ, লীলা (সম্পা.) (2002); *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।
2) গগৈ, হৃদয়ানন্দ (সম্পা.) (2007); *লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্র;* গুৱাহাটী ঃ

জ্যোতি প্রকাশন।

3) গোস্বামী, ত্রৈলোক্যনাথ (2006); *আধুনিক অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

4) দত্ত, উদয় (1995); *চুটি গল্প;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

5) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

6) বৰগোহাঞি, হোমেন (সম্পা.) (2004); *অসমীয়া গল্প সঙ্কলন (প্রথম খণ্ড);* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

7) বৰুৱা, প্রহ্লাদ কুমাৰ [2005]Ê, *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

8) ভট্টাচার্য্য, পৰাগ কুমাৰ (1993); *গল্পৰ প্রসঙ্গ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

9) ভট্টাচার্য্য, বসন্ত কুমাৰ (2003); *অসমীয়া চুটি গল্পৰ সুবাস;* নলবাৰী ঃ জার্ণেল এম্প'ৰিয়াম।

10) শর্মা, সত্যেন্দ্রনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৫.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ চমু উল্লেখ... ...তেওঁৰ কৃতিসমূহৰ চমু লেখ।

২ নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে দু-আষাৰ... ...তেওঁৰ গল্পসমূহৰ প্রধান বৈশিষ্ট্যসমূহ একাদিক্রমে তেওঁৰ সমকালীন অসমীয়া সমাজ জীৱনৰ সৰস চিত্রণ (উভয় গ্রাম্য আৰু নগৰীয়া সমাজ), মানুহৰ সুখ-দুখ, আশা-নিৰাশা, খং-ক্ষোভ, বেদনা-বিষাদ, আবেগ-অনুভূতি, ইত্যাদি, সাধু কথাৰ দৰে অতি প্রাকৃত ঘটনা-পৰিস্থিতিৰ চিত্রণত সফল, প্রেম-প্রীতিৰ মনোজ্ঞ চিত্রণ, নাৰী জীৱনৰ আকর্ষণীয় চিত্রণ য'ত নাৰীৰ মাজত বিচাৰি পাওঁ ব্যক্তি ৰূপে নিজকে প্রতিষ্ঠা কৰিব খোজা একো একোটা আধুনিক নাৰী মন, বংগদেশ আৰু উৰিষ্যাৰ সমাজ জীৱনৰ আকর্ষণীয় চিত্রণ, পোনপটীয়া উপস্থাপন ৰীতি, সৰল কথন ৰীতি আৰু সাৱলীল ভাষা।

৩ নং প্রশ্নৰ উত্তৰ ঃ সুকুমাৰৰ চমু পৰিচয়... ...তেওঁৰ মুকলিমূৰীয়া চিন্তাত স্থান পোৱা বিশিষ্ট দিশসমূহ, যেনে— বাহিৰৰ মুক্ত পৰিৱেশত খেলা-ধূলা কৰি থাকিবলৈ ভাল পোৱা, চৰাই পোৱালি ধৰা, বৰশী বাই মাছ মৰা, ইত্যাদি.... ককায়েক দেৰ কুমাৰে সুকুমাৰক নিজৰ তত্ত্বাৱধানত ৰাখি পঢ়া-শুনা কৰোৱা দায়িত্ব লৈছিলে আৰু তাত তেওঁ লাভ কৰা চূড়ান্ত ব্যর্থতাৰ লেখ... ...সুকুমাৰৰ জীৱনৰ কৰুণ পৰিণতি।



৫.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া গল্পৰ জনক কোন? তেওঁৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সাহিত্যৰাজিৰ বিষয়ে এটি পৰ্যালোচনা দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ বেজবৰুৱাৰ মুক্তি গল্পটোৰ কাহিনীভাগৰ আভাস দি তাৰ প্ৰধান চৰিত্ৰটোৰ গুণাগুণ নিৰ্ণয় কৰক।

প্ৰশ্ন ৪ ঃ 'মুক্তি' গল্পটোৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ 'মুক্তি' গল্পটোৰ প্ৰধান চৰিত্ৰ সুকুমাৰৰ কৰুণ পৰিণতিৰ বাবে দায়ী কোন? বিশ্লেষণ কৰক।

প্ৰশ্ন ৬ ঃ 'মুক্তি' গল্পত স্থান পোৱা সুকুমাৰৰ ককায়েক আৰু তেওঁৰ দেউতাকে সমাজৰ কোনটো শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে?

প্ৰশ্ন ৭ ঃ 'মুক্তি' গল্পত গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাই সমসাময়িক শিক্ষা ব্যৱস্থাটোৰ প্ৰতি কেনে মনোভাৱ পোষণ কৰিছে? আলোচনা কৰক।

*** ***** ***